**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 15-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

জনজাতীয় লোকসকলৰ উৎকৰ্ষ তথা কল্যাণ সাধনৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ পৰা ধৰতী আবা জনজাতীয় গাঁও উৎকৰ্ষ অভিযান আৰম্ভ কৰে। অহা ৩০ জুনলৈ চলিবলগীয়া এই অভিযানৰ অধীনত জনজাতীয় লোক আৰু পৰিয়ালৰ অধিকাৰ নিশ্চিত কৰাৰ বাবে জনজাতি বসতিপ্ৰধান গাঁওসমূহলৈ গৈ প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা, পি এম কিষাণ, জন-ধন একাউণ্টৰ সুবিধাকে ধৰি কল্যাণমূলক আঁচনিৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ৰাজ্যৰ ৬ হাজাৰখন জনজাতি বসতিপ্ৰধান গাঁৱক সামৰি চলিত বছৰত এই অভিযান ৰূপায়ণ কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ আগেয়ে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত ডিব্ৰুগড়ৰ দিহিং খামটি খেলপথাৰত কেন্দ্ৰীয় সামূহিক ৰান্ধনিঘৰৰ আধাৰশিলা স্থাপন কৰে। ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্পটো অহা বছৰৰ ছেপ্তেম্বৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰী পোষণ আঁচনিৰ অধীনত সমগ্ৰ শিক্ষা অভিযানৰ দ্বাৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক পুষ্টিকৰ মধ্যাহ্ন ভোজন দিয়া হ'ব। এই আঁচনিৰ বাবে কোনো মধ্যাহ্ন ভোজনৰ আঁচনিৰ ৰান্ধনিয়ে চাকৰি হেৰুৱাব নালাগে আৰু তেওঁলোক ৰন্ধাৰ পৰিবৰ্তে বিদ্যালয়ত খাদ্য বিতৰণৰ কামত নিয়োজিত হ'ব।

oooo

বিটিআৰৰ অন্তৰ্গত জিলাকেইখনত ভূমি সম্পৰ্কীয় সেৱা প্ৰদানৰ কাম সুচল কৰি তোলাৰ বাবে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি দ্বিতীয় পৰ্যায়ৰ মিছন বৈসুমুঠি শুভাৰম্ভ কৰে। প্ৰথম পৰ্যায়ৰ এই অভিযানৰ সফলতাৰ পাছত বিটিআৰ প্ৰশাসনে দ্বিতীয় পৰ্যায়ৰ অভিযানৰ জৰিয়তে কেইবাটাও ভূমি সংক্ৰান্তীয় সেৱা আগবঢ়াবলৈ সাজু হৈছে। উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ৰ এই অভিযানৰ জৰিয়তে এক লাখ ৬০ হাজাৰৰো অধিক লোকক ১৪টা সেৱা অনলাইন ব্যৱস্থাৰে আগবঢ়োৱা হ'ব। ইয়াৰ দ্বাৰা বিটিআৰৰ বাসিন্দাই ২০টা ভূমি সংক্ৰান্তীয় সেৱা লাভ কৰিব।

oooo

বৰপেটা জিলাৰ সৰভোগ আৰক্ষী থানাৰ অন্তৰ্গত বগৰীগুৰি গাঁৱত কালি এটা হৰিণা হত্যা কৰাৰ অভিযোগত আৰক্ষীয়ে তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। সৰভোগ আৰক্ষী আৰু বন বিভাগে যৌথভাৱে অভিযান চলাই খাদ্যৰ সন্ধানত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা হৰিণাটোক যাঠি-জোং লৈ হত্যা কৰা ঘটনাৰ লগত জড়িত বিল্লাল হুছেইন, আনচেৰ আলী আৰু মাজম হুছেইনক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ধৃত লোককেইজনক জেৰা অব্যাহত ৰাখিছে।

০০০০

ডিব্ৰুগড় জিলা পুঁথিভঁৰাল প্ৰেক্ষাগৃহত আজি খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ৰ উপস্থিতিত ডিব্ৰুগড় জিলাৰ সুলভ মূল্যৰ দোকানী আৰু গাঁও পঞ্চায়ত সমবায় সমিতিৰ সৈতে এখন সজাগতামূলক সন্মিলন অনুষ্ঠিত হয়। সন্মিলনত চৰকাৰৰ আঁচনি অনুসৰি ৰেচন কাৰ্ডপ্ৰাপ্ত লোকসকলে সুলভ মূল্যৰ সামগ্ৰীসমূহ সময়মতে লাভ কৰাৰ ক্ষেত্ৰত মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। এই সন্মিলনত বিধায়ক পোণাকন বৰুৱা, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ আয়ুক্ত আনন্দ প্ৰকাশ দাসকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০

বজালী শিক্ষা খণ্ডৰ অন্তৰ্গত চৌখুটি হাইস্কুল আৰু বাঘমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে ৭ কোটি টকাকৈ আবণ্টন দিছে। আজি পাঠশালাৰ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ মন্ত্ৰী ৰণজিত কুমাৰ দাসে এই কথা সদৰি কৰে। তেওঁ কয় যে বিদ্যালয়ৰ আন্তঃগাঁথনিৰ কাম চলিত বৰ্ষৰ নৱেম্বৰ মাহৰ পৰাই আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাই আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অসমৰ প্ৰতিটো শিশুক শিক্ষিত কৰি তোলাৰ বাবে চৰকাৰ দায়বদ্ধ।

০০০০

স্বাধীনতা সেনানী ছহিদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দৰং জিলাতো মুক্তিযুঁজাৰু সন্মিলনৰ উদ্যোগত ছহিদগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় প্ৰাঙ্গনত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সন্মিলনৰ কাৰ্যকৰী সভাপতি কমলা কান্ত শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে ভাষণ প্ৰসঙ্গত কুশল কোঁৱৰৰ দেশপ্ৰেম আৰু ত্যাগৰ বিষয়ে উল্লেখ কৰি নতুন প্ৰজন্মক তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ দেশ সেৱা আগবঢ়াবলৈ আহ্বান জনায়। এই অনুষ্ঠানতে সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা জিলাখনৰ মুক্তিযুঁজাৰু পৰিয়ালৰ ২২গৰাকী শিক্ষাৰ্থীক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়।

০০০০

১৯৮২ চনৰ পৰাই প্ৰকৃতি সংৰক্ষণৰ হকে নিৰৱচ্ছিন্নভাৱে কাম কৰি অহা স্বেচ্ছাসেৱী সংস্থা নেচাৰ্ছ বেকনৰ উদ্যোগত আজি গুৱাহাটীৰ নুনমাটিত বনৰীয়া চৰাইৰ বাহ, কণী আৰু বাসস্থান সংৰক্ষণৰ সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। নুনমাটিৰ ৰংঘৰ নামৰ সামাজিক অনুষ্ঠানটোৰ সহযোগত মূলতঃ বিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ এই অনুষ্ঠানটোৰ আয়োজন কৰা হয়। নেচাৰ্ছ বেকনৰ গুৱাহাটীৰ সমন্বয়ক নৱনীতা শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক বনৰীয়া চৰাই সংৰক্ষণ সন্দৰ্ভত বিতংভাৱে ব্যাখ্যা কৰে। উল্লেখযোগ্য যে বিগত বছৰসমূহৰ দৰে নেচাৰ্ছ বেকনে এই বছৰো বনৰীয়া চৰাইৰ বাহ, কণী আৰু বাসস্থান সংৰক্ষণ অভিযান শদিয়াৰ পৰা ধুবুৰীলৈ অব্যাহত ৰাখিছে। যোৱা ১ জুনত শদিয়াত আৰম্ভ হোৱা এই অভিযান ৩১ আগষ্টত ধুবুৰীত অন্ত পৰিব।

০০০০

ডিব্ৰুগড়ৰ হনুমান বক্স সূৰজমল স্বতন্ত্ৰ কানৈ মহাবিদ্যালয়ৰ ৮০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ড০ লক্ষ্মীপ্ৰসাদ দত্ত স্মাৰক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত অসম চৰকাৰৰ ঐতিহাসিক আৰু পুৰাতাত্বিক অধ্যয়ন সঞ্চালকালয়ৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড০ সংগীতা গগৈ উপস্থিত থাকে। **উত্তৰ-পূব ভাৰত আৰু দক্ষিণ পূব এছিয়াৰ সৈতে সংযোগৰ মানচিত্ৰকৰণ ঃ মানুহৰ লগত মানুহৰ সংযোগ** শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ড০ গগৈয়ে কয়, যে সাংস্কৃতিক সহনশীলতা থাকিলে বিশ্ববাসী শান্তিত থাকিব পাৰিব। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড০ ভাৰতী দত্তক অশ্বিনীচৰণ চৌধুৰী স্মাৰক বঁটা প্ৰদান কৰা হয়।

০০০০

সমাপ্ত